**2021**

( Held in 2022 )

ASSAMESE

( Major )

Paper : 5.3

( ব্ৰজবুলি সাহিত্যৰ অধ্যয়ন )

( Non-CBCS )

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। এটা শব্দ বা বাক্যত উত্তৰ লিখা : ১×৭=৭

(ক) গুৱাহাটী বিশ্ববিদ্যালয়ৰ দ্বাৰা প্ৰকাশিত 'ব্ৰজবুলি গীতিগুচ্ছ' নামৰ গ্ৰন্থখনৰ সম্পাদকগৰাকীৰ নাম কি?

(খ) অৱহট্‌ঠ ভাষাত ৰচনা কৰা বিদ্যাপতিৰ এখন গ্ৰন্থৰ নাম লিখা।

(গ) 'মৈথিল কোকিল' বুলি কোনগৰাকী কবিক জনা যায়?

(ঘ) বঙ্গীয় বৈষ্ণৱ সাহিত্যত ব্ৰজবুলি পদাৱলীৰ শ্ৰেষ্ঠ কবি কোন?

(ঙ) ৰায় ৰামানন্দ কোনগৰাকী ৰজাৰ ৰাজকৰ্মচাৰী আছিল ?

(চ) 'মাথুৰ বিৰহ'-ত মাথুৰ শব্দটোৱে কি বুজায় ?

(ছ) কোনগৰাকী কবিৰ গীতত বাৎসল্য ৰসৰ প্ৰাধান্য দেখা যায় ?

২। চমুকৈ উত্তৰ লিখা : ২×৪=৮

(ক) অসমীয়া ব্ৰজবুলি সাহিত্যৰ প্ৰধান ভেদ দুবিধ কি কি ?

(খ) কাব্যৰূপৰ দৃষ্টিৰে বিদ্যাপতিৰ কাব্যক কি কি শ্ৰেণীত ভাগ কৰিব পাৰি ?

(গ) ৰায় ৰামানন্দৰ পদাৱলীত প্ৰভাৱ পৰা দুগৰাকী কবিৰ নাম লিখা।

(ঘ) গোবিন্দদাসৰ কাব্য-সাহিত্যৰ বাবে তেওঁক কোনে, কি উপাধিৰে সন্মানিত কৰিছিল ?

৩। ব্যাখ্যা কৰা (যি কোনো তিনিছোৱা) : ৫×৩=১৫

(ক) ৰাধা সঁয় জব পুন তহি মাধৱ, মাধৱ সঁয় জব ৰাধা।
দাৰুণ প্ৰেম তবহি নাহি টুটত, বাঢ়ত বিৰহক বাধা॥

(খ) আজু মথুৰাপুৰি মিলব মহোৎসৱ
মাধৱ সাধব মান।
গোকুলক মঙ্গল দূৰ গয়ো নাহি
বাজত বেণু বিষাণ॥





(গ) জোহি নিজানন্দ সুখহি সম্পন্ন
সো হৰি মানুষ ভাৱত বি।
জশোৱাকু তন পানহি সন্তোষ
দীন মাধৱে ৰস গাৱত বি॥

(ঘ) কানু ৰহল পৰদেশ।
জলদ সময় পৰবেশ॥
দামিনী দশ দিশ ধাব।
নিকৰুণ কান্ত না আব॥

(ঙ) কি কহব সখি কহইতে হাস।
কিয়ে কিয়ে না কৰু মদনবিলাস॥
লোচনলোৰে ভোৰি দুহুঁ পহু।
পাওল তিমিৰ নিকুঞ্জক অন্ত॥

৪। (ক) ব্ৰজবুলিৰ উৎপত্তি আৰু বিকাশ সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা। ১০

*অথবা*

(খ) বিদ্যাপতিৰ ৰচনাৱলী সম্পৰ্কে এক চমু আভাস দিয়া।

৫। (ক) 'ব্ৰজবুলি-গীতি-গুচ্ছ'ৰ অন্তৰ্গত 'মাথুৰ বিৰহ' শীৰ্ষক গীতসমূহত বিৰহৰ স্বৰূপ কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা। ১০

*অথবা*

(খ) শঙ্কৰদেৱ আৰু মাধৱদেৱৰ বৰগীত সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

৬। (ক) গোবিন্দদাস *অথবা* ৰায় ৰামানন্দৰ সাহিত্যিক প্ৰতিভাৰ বিচাৰ কৰা। ১০

*অথবা*

(খ) নায়িকা কেইপ্ৰকাৰৰ? তোমাৰ পাঠ্যপুথিৰ আধাৰত যি কোনো দুই প্ৰকাৰৰ নায়িকাৰ বিষয়ে আলোচনা কৰা।

★★★